**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৬ৰ অনলাইন আবেদনৰ সময়সীমা পুনৰ বৃদ্ধি কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি এটা নিৰ্দেশনাযোগে এইকথা প্ৰকাশ কৰিছে। অনলাইন আবেদনৰ বাবে আজিৰ পৰা অহা ২০ নৱেম্বৰলৈ নিৰ্দিষ্ট পোৰ্টেল মুকলি কৰি দিয়া হ'ব। শিক্ষাৰ্থীসকলে ২১ নৱেম্বৰ পৰ্যন্ত মাছুল আদায় দিব পাৰিব। প্ৰ-পত্ৰ পূৰণৰ কাম সম্পূৰ্ণ নকৰা সকলো শিক্ষানুষ্ঠানকে নিৰ্ধাৰিত সময়ৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে। পৰৱৰ্তী সময়ত কোনো ধৰণৰ পৰিস্থিতিতে প্ৰ-পত্ৰ পূৰণৰ সময়সীমা বৃদ্ধি কৰা নহয় বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে।

০০০০০০

ৰাজ্যত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ৭ খন জিলাত গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। তদুপৰি এখন জিলাৰ পৰা আন এখন জিলালৈ গাহৰিৰ সৰবৰাহৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। শিৱসাগৰ, ধেমাজি, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, দৰং আৰু কামৰূপ জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে ভয়াবহ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত পশুপালন আৰু পশু চিকিৎসা বিভাগে তৎকালে কাৰ্যকৰী হোৱাকৈ এই নিষেধাজ্ঞা জাৰি কৰিছে। ছোৱাইন ফিভাৰৰ সংক্ৰমণ নোহোৱা জিলাসমূহত গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত পশু চিকিৎসকে পৰীক্ষা কৰি দিয়া গাহৰি, পঞ্চায়ত, পৌৰ সভা আৰু নিগম-নিকায়ে ধাৰ্য কৰি দিয়া নিৰ্দিষ্ট স্থানতহে বিক্ৰী কৰিব পাৰিব।

০০০০০০

আহোমসহ ছটা জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবীত কালি সন্ধিয়া সদৌ টাই আহোম ছাত্ৰ সন্থাই শিৱসাগৰত জোৰ সমদল উলিয়ায়। আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত তলাতল ঘৰৰ বাকৰিৰ পৰা শিৱসাগৰ চহৰলৈ এই জোৰ সমদল উলিওৱা হয়। আটাছুৰ বিষয়ববীয়া আৰু কৰ্মীসকলৰ উপৰি জনগোষ্ঠীটোৰ বহুসংখ্যক লোকে বিভিন্ন শ্লোগানেৰে জনজাতিকৰণৰ দাবী জনায়। এই সন্দৰ্ভত আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে এইদৰে কয় –

বাইট

০০০০০০

শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত ফুলগুৰি ঘইৰালি আদৰ্শ চিকিৎসালয়খন কালি স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে উদ্বোধন কৰে। ৫ কোটি ৫ লাখ টকা ব্যয়সাপেক্ষে এই আদৰ্শ চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ৰঙাপৰাৰ বিধায়ক কৃষ্ণ কমল তাঁতী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কাৰ্যবাহী সঞ্চালক ডাক্তৰ মনোজ চৌধুৰীকে ধৰি বিভাগটোৰ ভালেকেইগৰাকী বিষয়া উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে কয় যে এই আদৰ্শ চিকিৎসালয়খনৰ জৰিয়তে ফুলগুৰি, ঘইৰালি, আমতল, বৰজুলি, হাতীপুখুৰী, নেপালীপাম, বাহুমাৰি, পাগলাবিল, চনাবিল আদি অঞ্চলৰ ১৩ লাখৰো অধিক লোক উপকৃত হ'ব।

০০০০০০

শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে কালি অসম শক্তি উৎপাদন নিগম লিমিটেডৰ অধীনৰ নামৰূপৰ ২৪ মেগাৱাট উৎপাদন ক্ষমতাসম্পন্ন নিৰ্মীয়মান সৌৰশক্তি প্ৰকল্পটো পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰি স্থানীয় বিধায়ক তৰংগ গগৈ আৰু প্ৰকল্পটোৰ নিৰ্মাণৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে।

oooooo

নাহৰকটীয়া ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত টছেন বৰা সোঁৱৰণী প্ৰথম বাৰ্ষিক ফুটবল প্ৰতিযোগিতাৰ কালি নিশা অনুষ্ঠিত চূড়ান্ত খেলত উত্তৰ-পূব সীমান্ত ৰে'লৱে ফুটবল দলে খিতাপ অৰ্জন কৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱে ফুটবল দলে ইউনাইটেড চিৰাংদুৱাৰ ফুটবল দলক ৩-০ গ'লত পৰাস্ত কৰে। কালি অনুষ্ঠিত চূড়ান্ত খেলত ক্ৰীড়া মন্ত্ৰী নন্দিতা গাৰ্লোচা, মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক তৰংগ গগৈ, তেৰছ গোৱালা আদিও অংশগ্ৰহণ কৰে।

oooooo

ডিব্ৰুগড়ৰ চিৰিংচাপৰি নিবাসী কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুকুল শৰ্মাৰ যোৱা শনিবাৰে বেংগালুৰুৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। ডিব্ৰুগড় হনুমান বক্স কানৈ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক মুকুল শৰ্মা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল।

oooooo

সমাপ্ত